**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-02-2025 **Time :** 0755 Hrs.

# <u>Assamese Morning Bulletin</u>

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি অনুষ্ঠিত গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ কালি প্ৰথম দিনৰ কাৰ্যসূচী সফলভাৱে সম্পন্ন হয়। কালি প্ৰথমদিনা ৯ লাখ ৮১ হাজাৰ ৫৬৫ গৰাকী শিক্ষাৰ্থীৰ স্ব-মূল্যায়ন কৰা হয়।

মাজুলী জিলাৰ ৪৯৬ খন বিদ্যালয়ত গুণোৎসৱৰ স্বমূল্যায়ন কৰা হয়। মাজুলীৰ বিধায়ক ভূৱনগাম, জালুকবাৰী উপ বন সংৰক্ষক বিষয়া দিম্পী বৰা, বশিষ্ঠ উপ-বন সংৰক্ষক বিষয়া শৈলেন দাস আৰু অসম শক্তি বিভাগৰ যুটীয়া সচিব মধুচন্দ্ৰ তালুকদাৰে আজিৰেপৰা বিদ্যালয়সমূহত বহিঃমূল্যায়নত ভাগ ল'ব।

উল্লেখযোগ্য যে ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০০

যোৰহাটত কাইলৈৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনলৈ ভকত-বৈষ্ণৱসকলক আদৰাৰ বাবে আদৰণি সমিতিয়ে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৱোগত কৰি যোৰহাট জিলা শাখাৰ আতিথ্যত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগিতাত আয়োজন কৰা এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰিব। কালি ম'হবন্ধাৰ এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰৰ নামঘৰত ধৰ্মধ্বজা প্ৰতিষ্ঠা কৰা হয়। ৮ ফেব্ৰুৱাৰীৰ পুৱা সংঘৰ নৱ-নিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে এই মহোৎসৱত অংশ ল'ব। ইটালী, ইংলেণ্ড, পৰ্টুগাল, ইউক্ৰেইন, স্পেইনকে ধৰি বিভিন্ন দেশৰ লেখক-সাহিত্যিকৰ লগতে ভাৰতৰ ভালেসংখ্যক খ্যাতনামা সাহিত্যিকে অনুষ্ঠানত ভাগ ল'ব। অনুৰাধা শৰ্মা

পূজাৰী, অৰূপা পটংগীয়া কলিতা, বিপুল দেউৰী, কৰবী ডেকা হাজৰিকাৰ উপৰি নতুন প্ৰজন্মৰ কেইবাগৰাকীও লেখকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অধীনৰ পাণবাৰী সংৰক্ষিত বনাঞ্চলত কালি পক্ষী নিৰীক্ষণ অৰ্থাৎ বাৰ্ড ছাফাৰী আৰম্ভ হৈছে। কালি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰথমগৰাকী পক্ষী নিৰীক্ষক হিচাপে বিভিন্ন প্ৰজাতিৰ চৰাইসমূহ প্ৰত্যক্ষ কৰে। কালি উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক ড° সোণালী ঘোষৰ সৈতে মন্ত্ৰীগৰাকীয়ে কমেও ৪০০টা প্ৰজাতি পক্ষীৰ বিচৰণস্থলী পাণবাৰী সংৰক্ষিত বনাঞ্চল পৰিদৰ্শন কৰে। এই বনাঞ্চলৰ বৃহৎ গছসমূহত অগণন পক্ষী আছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সুদীৰ্ঘ ১০ বছৰৰ পাছত উদ্যানখনত এই পক্ষী নিৰীক্ষণ ব্যৱস্থা আৰম্ভ কৰা হৈছে।

০০০০০০

১৯৯১ চনৰ পৰা ২০০১ চনৰ ভিতৰত চৰকাৰীভাৱে নিযুক্তিপ্ৰাপ্ত ভালেমান বেতন বঞ্চিত শিক্ষকৰ চাকৰি নিয়মীয়াকৰণৰ বিষয়ত কালি লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ প্ৰেছক্লাবত এখন সংবাদমেলৰ আয়োজন কৰা হয়। নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক সন্থাই আয়োজন কৰা এই সংবাদমেলত সন্থাৰ সভাপতিগৰাকীয়ে কয়, যে ২০২১ চনৰ ৩০ জানুৱাৰীত ৪ হাজাৰ ৫৪১ গৰাকী শিক্ষকক চৰকাৰে নিযুক্তিপত্ৰ প্ৰদান কৰিছিল যদিও বিভিন্ন কাৰণত এই শিক্ষকসকল বেতনৰ পৰা বঞ্চিত হৈ ৰয়। চৰকাৰীভাৱে নিযুক্তি পোৱা বহুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰী আজি পৰ্যন্ত চাকৰি নিয়মীয়াকৰণ নোহোৱাৰ বাবে যোৱা ৯ আৰু ১০ জানুৱাৰীত শিক্ষক সন্থাই গুৱাহাটীৰ চচলত অনশন কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথাও সংবাদমেলত উল্লেখ কৰা হয়। চৰকাৰী পক্ষই শিক্ষকসকলৰ আবেদন সন্দৰ্ভত ১৫ দিনৰ ভিতৰত আলোচনাত মিলিত হৈ সমস্যা সমাধানৰ প্ৰতিশ্ৰুতি দিছিল যদিও সেয়া কাৰ্যকৰী হৈ নুঠাত শিক্ষক সন্থাই এই সংবাদমেলৰ আয়োজন কৰে বুলি প্ৰকাশ কৰে। সন্থাই লগতে অহা ১০ ফেব্ৰুৱাৰীত পুনৰ আমৰণ অনশন আৰম্ভ কৰিব বুলি সংবাদমেলত ঘোষণা কৰে।

০০০০০০০

**সমাপ্ত**